লোক-বিশ্বাস ইত্যাদিৰ থূলমূল বিৱৰণ দি মানিক বন্দ্যোপাধ্যায়ে এনেদৰে পদ্মাতীৰৰ গোষ্ঠীবদ্ধ জীৱনৰ এক পূৰ্ণাঙ্গ প্ৰতিবেদন দক্ষতাৰে পাঠকসকলৰ ওচৰত দাঙি ধৰিছে।

পূৰ্বোল্লিখিত ৰথৰ মেলালৈ যোৱাৰ সময়ত জলপথত হোছেন মিঞাৰ ময়নাদ্বীপৰ পৰা সৰ্বস্বান্ত হৈ উভতি অহা ৰাসুৰ আবিৰ্ভাৱ, তাৰ পাছত ৰাসুৰ প্ৰত্যাবৰ্তনৰ ঘটনাটোক লৈ কেতুপুৰ গাঁৱৰ মানুহবোৰৰ মাজত সৃষ্টি হোৱা আলোড়ন, আৰু তাকে কেন্দ্ৰ কৰি হোৱা হোছেন মিঞাৰ বিচাৰ সম্পৰ্কীয় সভা ইত্যাদিৰ বৰ্ণনাত সমষ্টিবদ্ধ জীৱনৰ প্ৰকাশ লক্ষ্য কৰা যায়। হোছেন মিঞাৰ ৰহস্যময় ব্যক্তিত্বৰ প্ৰভাৱত সেই বিচাৰ-সভা অৰ্থহীন হৈ উঠিলেও, আৰু মানুহবোৰৰ মাজত সৃষ্টি হোৱা ক্ষোভৰ আলোড়ন নিস্তেজ হৈ পৰিলেও, সভাৰ বৰ্ণনা আৰু চৰিত্ৰৰ সমাৱেশত মাছমৰীয়া মানুহখিনিৰ সামূহিক জীৱনৰ ৰূপ স্পষ্ট হৈ উঠিছে। পীতম মাঝি, নকুল, ৰাসু, কুবেৰ, আমিনুদ্দি আদি প্ৰত্যেকেই একেই প্ৰকৃতিৰ ভীৰু, অসহায়; অথচ অন্যায়ৰ বিৰুদ্ধে এইবোৰ চৰিত্ৰৰ বিক্ষুব্ধ মানসিকতাই গোষ্ঠীগত পটভূমিক অতিশয় জীৱন্ত কৰি তুলিছে। *পদ্মানদীৰ মাঝি*-ৰ পূৰ্বে মানিক বন্দ্যোপাধ্যায়ৰ অন্য কোনো ৰচনাত এনে ধৰণৰ জন-চেতনাৰ স্বাক্ষৰ পাবলৈ নাই। এই উপন্যাসত গ্ৰাম্য সমাজৰ সাধাৰণ মানুহবোৰক সিহঁতৰ ন্যায়-অন্যায়ৰ বোধ, নীতি-দুৰ্নীতিৰ চেতনা ইত্যাদিৰ দ্বাৰা যি ধৰণে সংকটাচ্ছন্ন কৰি ৰাখিছে, তাৰ তুলনাত এনেকি *পুতুল নাচেৰ ইতিকথা*-ৰ তেনে চেতনা বহুলাংশে স্তিমিত তথা ব্যক্তিকেন্দ্ৰিক।

বাংলা উপন্যাসৰ ইতিহাসত *পদ্মানদীৰ মাঝি*-তে সৰ্বপ্ৰথম দেখা যায় পৰিবেশ আৰু মানুহ— উভয়ৰ পাৰস্পৰিক নিবিড় সম্পৰ্কৰ প্ৰতিচ্ছবি। উভয়ে যেন পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। এহাতে বিশেষ এক আঞ্চলিক ভূখণ্ডৰ ছবি আৰু আনহাতে সেই ভূখণ্ডৰ মাটি-পানী-বায়ুৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৰ্কিত এক লোকায়ত জীৱনৰ কাহিনী এয়ে উপন্যাসখনিৰ ঘাই বৈশিষ্ট্য। পদ্মানদীৰ মাঝিহঁত ক্ষুদ্ৰ, সংকীৰ্ণ তথা সীমাবদ্ধ পৃথিৱীৰ মানুহ হ'ব পাৰে; কিন্তু সেয়ে হ'লেও, সিহঁতৰ চাৰিওকাষে পদ্মাৰ যি ৰহস্যময়, বিপুল, বিচিত্ৰ তৰঙ্গধাৰা সৰ্বক্ষণে প্ৰৱাহিত, সেই পদ্মা-প্ৰৱাহেই এক দুৰ্লঙঘ্য নিয়তিৰ দৰে সিহঁতৰ জীৱনলৈ বোৱাই আনে প্ৰচুৰ সম্ভাৱনা। সেই সম্ভাৱনা আশা-আকাঙক্ষা, উল্লাস-আনন্দেৰে জড়িত এক বিচিত্ৰ ৰহস্য। উপন্যাসখনৰ ভিতৰ ভাগত প্ৰৱেশ কৰিলে অনুভৱ হয়, ইয়াত পদ্মাৰ পাৰৰ যি জীৱন-কাহিনী বিন্যস্ত হৈছে, সেয়া একে সময়তে সমষ্টি আৰু ব্যক্তি উভয়ৰে কাহিনী।

*পদ্মানদীৰ মাঝি*-ৰ প্ৰথম পৰিচ্ছেদত পটভূমিৰ যি বিৱৰণ সন্নিবিষ্ট হৈছে তাত পোৱা যায় দৰিদ্ৰ মাছমৰীয়া সম্প্ৰদায়ৰ জীৱন-যাপনৰ প্ৰণালী, সামূহিক পৰিবেশ, শোষণ, শ্ৰেণী-চৰিত্ৰ, নিশ্চেষ্টতা, নিষ্ফল সংগ্ৰামজনিত অসহায়তা, স্বাৰ্থ সংকীৰ্ণতা

2020.04

স্বাতন্ত্র্যৰ যথাৰ্থ আৰুজনি হৈছে বুলি ক'ব পাৰি। কুবেৰৰ পাৰিবাৰিক জীৱনৰ চিত্ৰত লেখকে দেখুৱাইছে যে নিজৰ পত্নীৰ জটিল সমস্যা আৰু স্নিগ্ধ মাধুৰ্যৰ সৈতে সি যিমান নিবিড়ভাৱে জড়িত, অন্যদিশে কপিলাৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণো তাৰ সিমানেই প্ৰিয় আৰু সেই আকৰ্ষণ সি একোপধ্যেও প্ৰতিহত কৰিব নোৱাৰে। এই দুতৰণীয়া অৱস্থিতিৰ জৰিয়তে কুবেৰ চৰিত্ৰটোৰ বহুমাত্ৰিক বাস্তৱতা আৰু দ্বন্দ্বাক্ৰান্ত ব্যক্তিত্ব প্ৰতিষ্ঠিত হোৱাৰ সুযোগ পাইছে। কপিলাৰ ৰহস্যময় ব্যৱহাৰ, নিঃশব্দ সেৱা-যত্ন, চঞ্চল স্বভাৱ আৰু ইঙ্গিতপূৰ্ণ কথনভঙ্গীয়ে কুবেৰক যেনেকৈ পূৰ্ব অনাস্বাদিত সুখ-মাধুৰ্য প্ৰদান কৰিছে, তেনেকৈ মন-গহ্বৰত লুকাই থকা আকাঙ্ক্ষাৰ তৰঙ্গহীন সৰোবৰলৈ প্ৰাণ-চাঞ্চল্যও আনি দিছে। কিন্তু, এনে হোৱা সত্ত্বেও, কুবেৰে তাৰ পাৰিবাৰিক আৰু সামাজিক স্থিতিৰ কথা পাহৰি যোৱা নাই। ছলনাময়ী কপিলাৰ প্ৰতি কুবেৰৰ আকৰ্ষণত আদিম মানুহৰ বলিষ্ঠ কামনা আৰু সমাজ-নিষিদ্ধ পৰকীয়া প্ৰেমৰ জটিল ৰহস্যৰ সংমিশ্ৰণ লক্ষ্য কৰা যায়। কুবেৰৰ মনৰ এই বিচিত্ৰ গতি আৰু কপিলাৰ ৰহস্যপূৰ্ণ স্বভাৱ মানিক বন্দ্যোপাধ্যায়ৰ মনোবীক্ষণ-প্ৰীতিৰ এক বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশ। কুবেৰৰ অবৈধ প্ৰেমৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰিবলৈ গৈও তেওঁ কিন্তু চৰিত্ৰটোৰ শ্ৰেণী-বিন্যাস সম্পৰ্কে অসচেতন হৈ পৰা নাই। এই মনোজাগতিক বিশ্লেষণৰ বাবে তেওঁ যিবোৰ পৰিস্থিতিৰ সহায় লৈছে, সেইবোৰ সিহঁতৰ জীৱন-যাত্ৰা আৰু জীৱিকাৰ সৈতে একান্তই সঙ্গতিপূৰ্ণ। আহিন মাহৰ প্ৰাকৃতিক দুৰ্যোগ—ধুমুহা, বানপানী; গোপীৰ ভগা ভৰিৰ চিকিৎসাৰ বাবে আমিনবাৰীৰ চিকিৎসালয়লৈ যোৱা আৰু তাত কপিলাৰ সৈতে অধিক অন্তৰঙ্গ হোৱা, কপিলাৰ সাহচৰ্য বিচাৰি তাইৰ পতিগৃহলৈ কুবেৰৰ যাত্ৰা ইত্যাদি সমস্ত ঘটনা তথা সকলোবোৰ পৰিস্থিতিয়েই কুবেৰৰ জীৱনত স্বাভাৱিক অনুষঙ্গ হিচাপে দেখা দিছে। উপন্যাসৰ সূচনা-পৰ্বত লেখকে যি নিৰ্মোহ-বাস্তৱ দৃষ্টিৰে কাহিনীভাগ আৰম্ভ কৰিছে, কুবেৰ-কপিলাৰ কাহিনী-নিৰ্মাণতো সেই একেই দৃষ্টি বজাই ৰাখিবলৈ সমৰ্থ হৈছে। কপিলাৰ প্ৰতি কুবেৰৰ আসক্তিৰ মাজত এক ধৰণৰ উদ্দামতা লক্ষ্য কৰা যায়। সেই আসক্তি প্ৰতিৰোধ কৰিবলৈ সি অক্ষম। প্ৰবল জোঁৱাৰৰ চাপৰ দৰে সেই আসক্তিয়ে তাক বাৰে বাৰে উটুৱাই নিব খোজে। কিন্তু, পাহৰিলে নচলিব যে কুবেৰ কেতুপুৰ গাঁৱৰ এক সমাজবদ্ধ, গৃহমুখী, ভীৰু প্ৰকৃতিৰ মানুহ। গতিকে যিমানেই তীব্ৰ নহওক, কপিলাৰ প্ৰতি থকা তাৰ দৈহিক আসক্তি আৰু তজ্জনিত মানসিক চাঞ্চল্যই বান্ধ ভঙা বন্যাৰ ৰূপ ল'ব পৰা নাই। সেইবাবে কুবেৰৰ এই অৱৰুদ্ধ কামনাই সময়ে সময়ে স্বপ্ন আৰু কল্পনাৰ জগতত আত্মপ্ৰকাশৰ পথ বিচাৰি ফুৰে। চৰিত্ৰৰ ব্যক্তিত্ব নিৰ্মাণত আৰু তাৰ গতিশীল ৰূপ প্ৰদানত কাহিনীৰ পট-পৰিবেশৰ যথোপযুক্ত গাঁথনিয়ে কিদৰে সহায় কৰে, তাৰ যথাৰ্থ পৰিচয় পোৱা যায় *পদ্মানদীৰ মাঝিত*। ঔপন্যাসিক হিচাপে মানিক বন্দ্যোপাধ্যায়ৰ কৃতিত্বও সেইখিনিতে

2020.04.02

উদ্দাম ৰূপৰ প্ৰতি কুবেৰৰ যি আকৰ্ষণ, সেই আকৰ্ষণেই যেন তাক টানি লৈ যায় কপিলাৰ ওচৰলৈ। পদ্মা আৰু কপিলা উভয়েই ৰহস্যময়, দুৰন্ত; যেন একেটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। পদ্মাৰ ৰহস্যময় গতিশীলতা কুবেৰে অনুভৱ কৰে একেই ৰহস্যময়ী কপিলাৰ চৰিত্ৰৰ মাজেৰে। সেইবাবেই তাইৰ প্ৰতি কুবেৰৰ এনে দুৰ্বাৰ আকৰ্ষণ। কাহিনীৰ অন্তিম স্তৰত সেই আকৰ্ষণেই তাক উটুৱাই লৈ গৈছে আদিম আৰণ্যক ময়নাদ্বীপৰ বুকুলৈ।)

পদ্মানদীৰ মাঝি-ত কুবেৰ-কপিলাৰ কাহিনীয়ে যে যথেষ্ট প্ৰাধান্য পাইছে, সেয়া অনস্বীকাৰ্য। কুবেৰৰ চৰিত্ৰত কপিলাৰ অমোঘ প্ৰভাৱে মূল কাহিনীৰ গতি আৰু পৰিণতি নিৰ্ধাৰণত যে ভালেখিনি সহায় কৰিছে, সেই কথা নক'লেও চলে। কিন্তু সেয়ে হ'লেও, উপন্যাসখনিত কপিলাৰ কাহিনীয়েই কুবেৰৰ জীৱনৰ একমাত্ৰ প্ৰভাৱ-সঞ্চাৰী উপাদান বুলি ধৰি ল'লে ভুল কৰা হ'ব। নায়কৰ জীৱনৰ গতি-প্ৰকৃতিত স্বতন্ত্ৰ আৰু গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা আন এক কাহিনীও প্ৰসঙ্গ ক্ৰমে উল্লেখযোগ্য। সেয়া হ'ল হোছেন মিঞা আৰু ময়নাদ্বীপৰ কাহিনী। উপন্যাসখনৰ আটাইতকৈ ৰহস্যময় আৰু জটিল চৰিত্ৰ হ'ল হোছেন মিঞাৰ চৰিত্ৰ। এই চৰিত্ৰটো সমস্ত কেতুপুৰ গাঁৱৰ মাছমৰীয়া নৌকাজীৱী লোকসকলৰ ভাগ্য-নিয়ন্তাৰূপে উপস্থাপিত হৈছে। চৰিত্ৰটোৰ আবিৰ্ভাৱৰ লগে লগেই পাঠকৰ সেই উপলব্ধি হয়। নৌকাজীৱী মানুহখিনিৰ জীৱনত হোছেন মিঞাই যি ঘটায় সেইবোৰ যেন অৱশ্যম্ভাৱী আৰু স্বাভাৱিক, তাৰ হেৰ-ফেৰ হোৱাৰ কোনো উপায় নাই। উপন্যাসখনৰ পৰিণতিও এই সূত্ৰৰ ওপৰতে প্ৰতিষ্ঠিত। হোছেন মিঞাৰ আবিৰ্ভাৱৰ লগে লগেই জনা যায় যে সি নানা প্ৰতিকূল পৰিস্থিতি নেওচি বৰ্তমান কেতুপুৰ গাঁৱত তুলনামূলকভাৱে স্বচ্ছল জীৱন-যাপন কৰিছে। মানুহজন চৌখিন। কিন্তু এই চখ পূৰণৰ বাবে প্ৰয়োজন হোৱা অৰ্থোপাৰ্জনৰ পথটো কিন্তু তাৰ সৰল, সহজ আৰু স্বাভাৱিক নহয়। দৰিদ্ৰ নাৱৰীয়াবোৰৰ সৈতে সি সহৃদয় ব্যৱহাৰ কৰে। প্ৰয়োজনত সিহঁতৰ উপকাৰৰ বাবে সহায়ৰ হাতো আগবঢ়ায়। কিন্তু গাঁওখনৰ মানুহবোৰে তাৰ এই আচৰণক কোনোদিনে সহজভাৱে ল'ব পৰা নাই। ব্যৱসায়ী হিচাপে হোছেন মিঞা অতিশয় ধূৰ্ত, কপটীয়া। নানান গোপন পথেৰে বিশেষকৈ আফিঙৰ চোৰাং কাৰবাৰেৰে তাৰ উপাৰ্জন অবিশ্বাস্যভাৱে বৃদ্ধি পাইছে। ঔপন্যাসিকে কুবেৰৰ চকুৰে হোছেন মিঞাৰ সমস্ত বাণিজ্য-বৃত্ত ঘূৰি-পকি চাইছে। দেখাত হোছেন মিঞাই চহৰ অঞ্চলত গৰু ছাগলী চালান দিয়াৰ কাৰবাৰ কৰে। কিন্তু তাৰ পৰোক্ষ উদ্দেশ্য হ'ল ময়নাদ্বীপলৈ মানুহ চালান দিয়া। অতল সমুদ্ৰৰ বুকুত অৱস্থিত বসবাসৰ অনুপযোগী আদিম ময়নাদ্বীপক জনপ্ৰাণীৰে পৰিপূৰ্ণ কৰাৰ উদ্দেশ্যে সকলো প্ৰকাৰৰ অসৎ কাৰ্য কৰিবলৈ হোছেন মিঞাৰ কোনো দ্বিধা-সংকোচ নাই। মানুহৰ চৰিত্ৰ সম্বন্ধে তাৰ অভিজ্ঞতাও প্ৰচুৰ। তাৰেই সহায়ত সি উপন্যাসৰ নায়ক

2020.04.02

কুবেৰক বিভিন্ন প্রসঙ্গত সহায়ৰ হাত আগবঢ়াই, চৰম দুৰৱস্থাৰ পৰা উদ্ধাৰ কৰি, নিজৰ নাৱত নাৱৰীয়াৰ কাম দি, ক্ৰমাগতভাৱে দায়িত্ব ন্যস্ত কৰি, অধিকাৰ আৰু স্বাধীনতা প্রদান কৰি নিজৰ অদৃশ্য অলঙ্ঘ্য ফান্দত তাক বন্দী কৰি পেলাইছে। ময়নাদ্বীপত প্রজাপত্তন কৰাৰ বাবে বিপন্ন মানুহক প্ৰলুব্ধ কৰাটোৱেই যেন হোছেন মিঞাৰ জীৱনৰ একমাত্র লক্ষ্য। এই লক্ষ্য পূৰণৰ বাবে সি ইতিমধ্যে বিভিন্ন কূট-কৌশলেৰে বহুতকে তালৈ চালান দিছে। পূর্বোল্লিখিত ৰাসু তাৰেই অন্যতম নিদর্শন। ময়নাদ্বীপত স্ত্রী-পুত্র সকলোকে হেৰুৱাই সর্বস্বান্ত হৈ অনেক কষ্টৰ মাজেৰে ৰাসু কেতুপুৰত উপস্থিত হোৱাটো সর্বজন বিদিত। এই ঘটনাক কেন্দ্র কৰি গাঁওবাসীৰ মাজত বিক্ষোভ আৰু ত্রাসৰ সঞ্চাৰ হৈছিল যদিও, হোছেন মিঞাৰ কূট-কৌশলৰ আগত সকলো নিজম পৰি গৈছিল। ফলত কোনো প্রতিৰোধ অবিহনেই সি পূর্বৰ দৰে নিজৰ কাম-কাজ চলাই গৈছিল। প্রকৃতি আৰু পাৰিপাৰ্শ্বিক ঘটনাৱলীয়েও তাৰ ব্যক্তিগত স্বাৰ্থসিদ্ধিত বিশেষ সহায়তা কৰিছে। যি আমিনুদ্দিয়ে এটা সময়ত ময়নাদ্বীপলৈ যোৱাৰ নামত মাটিতে সাত কিল মাৰিছিল, সেই আমিনুদ্দিয়ে পৰিশেষত কুবেৰৰ দৰে ধুমুহাত বিধ্বস্ত হৈ আপোন পৰিজনক হেৰুৱাই হোছেনৰ নাৱত তালৈকে পাৰি দিছে। বিনা অপৰাধে পুলিচৰ ভয়ত ভীত সন্ত্রস্ত কুবেৰকো হোছেন মিঞাই ময়নাদ্বীপত আশ্রয় দিয়াত বিন্দুমাত্রও পলম কৰা নাই।

হোছেন মিঞাৰ মুখত অসাম্প্রদায়িক ধৰ্ম-চেতনা আৰু উদাৰতাৰ বাণী শুনা গ'লেও, সেয়া দৰাচলতে তাৰ স্বাৰ্থসিদ্ধিৰহে হাতিয়াৰ। এনায়েতৰ লগত বছিৰৰ গাভৰু পত্নীৰ নিকাহ, আমিনুদ্দিৰ সৈতে নছিবনৰ বিবাহ ইত্যাদি কাৰ্য হোছেন মিঞাৰ ব্যক্তিগত উদ্দেশ্য সাধনৰে অন্যতম অংশ; অর্থাৎ ময়নাদ্বীপত অধিক প্রজাসৃষ্টি, অধিক সন্তান উৎপাদনৰ দ্বাৰা দ্বীপটোক জনবহুল কৰি তোলা। এই দ্বীপৰ এটুকুৰা মাটিও যাতে চন পৰি নাথাকে, মৃত্যুৰ পূৰ্বে তাকেই সি চাই যাব বিচাৰে— এয়ে হোছেন মিঞাৰ স্বপ্ন আৰু এই স্বপ্ন পূৰণ কৰিবলৈ সি বদ্ধপৰিকৰ। সেই হেতুকে কপিলাৰ সৈতে অসামাজিক সম্পৰ্কত লিপ্ত হোৱাৰ যি বাসনাই কুবেৰৰ মগ্ন চৈতন্যক বাৰে বাৰে দোলায়িত কৰিছে, তাত হোছেন মিঞাই পৰোক্ষ ইন্ধন যোগাইছে। কুবেৰৰ ঘৰত পীতম মাঝিৰ চুৰি হোৱা ঘটি উদ্ধাৰ হোৱাৰ নেপথ্যত হোছেন মিঞাৰ হাত আছে নে নাই উপন্যাসত সেই কথা স্পষ্ট নহয়। কিন্তু ঘটনাটি হোছেনৰ উদ্দেশ্যৰ অনুকূলেই ঘটিছে। জেললৈ যোৱাৰ বিকল্প হিচাপে ময়নাদ্বীপলৈ পাৰি দিয়াৰ বাহিৰে কুবেৰৰ সন্মুখত আৰু কোনো পথ খোলা নাথাকিল, লগত গ'ল কপিলা।

উপন্যাসখনত শেষলৈ কেইটামান প্রশ্ন অমিমাংসিতভাৱে ৰৈ যোৱা যেন অনুভৱ হয়। সচেতন পাঠকে লেখকৰ বক্তব্যও স্পষ্টভাৱে অনুধাৱন কৰাত অসুবিধা পায়। হোছেন মিঞাই দুৰ্গম ময়নাদ্বীপত যি নতুন উপনিৱেশ স্থাপন কৰিব বিচাৰিছে, সেই কৰ্মৰ অংশ হিচাপে কুবেৰে নৌকাজীৱী মাছমৰীয়া জীৱন এৰি দিনমজুৰৰ

2020.04.0

জীৱন সাৰটি ল'বলগীয়া হৈছে— এই ইঙ্গিতেৰে উপন্যাসখনৰ পৰিসমাপ্তি ঘটিছে। এইখিনিতে প্ৰশ্ন জাগে— অৱস্থাৰ মেৰপাকত জীৱিকা বা আনকথাত বৃত্তিৰ সাল-সলনিৰ কাহিনী ৰচনা কৰাটোকে কি লেখকে সামাজিক দায়িত্ব বুলি ধৰি ল'লে নেকি? সামাজিক প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলেও দেখা যায়, প্ৰথম মহাযুদ্ধৰ পাছৰে পৰা মধ্যবিত্ত-নিম্নবিত্ত শ্ৰেণী পুৰুষানুক্ৰমিক বৃত্তি ত্যাগ কৰি শ্ৰমজীৱী শ্ৰেণীত পৰিণত হৈছে। ক্ষয়িষ্ণুতাৰ গৰাহত পৰিছে সমাজ। মানিক বন্দ্যোপাধ্যায়ে কুবেৰৰ মাধ্যমেৰে তেনে ইঙ্গিতকে দিবলৈ গৈছে নেকি? অটব্য জঙ্গলেৰে ভৰা, জনবসতিৰ অনুপযোগী, লোকালয়ৰ পৰা বহু নিলগত, পদ্মাৰ সীমাৰ বাহিৰত, অকূল সমুদ্ৰ গৰ্ভত অৱস্থিত এটুকুৰা পৰিত্যক্ত ভূমিত জনপত্তনৰ যি উদ্ভট সংকল্প হোছেন মিঞাই লৈছে, সেই সংকল্পক সাকাৰ ৰূপ প্ৰদান কৰাটোৱেই কি কুবেৰৰ দৰে নিৰীহ, নিৰুপায়, বিপন্নজনৰ নিয়তি? এনে ধৰণৰ বহু প্ৰশ্নৰ সদুত্তৰ উপন্যাসখনত পাবলৈ টান হয়। হোছেন মিঞা নামৰ এই অদ্ভুত চৰিত্ৰটোৰ সৃষ্টিৰ উদ্দেশ্যও স্পষ্ট নহয়। এক কথাত হোছেন মিঞা আৰু তাৰ স্বপ্নৰ ময়নাদ্বীপ পাঠকৰ ওচৰত অস্পষ্ট আৰু ৰহস্যময় হৈ ৰয়। ময়নাদ্বীপ যদি পদ্মাৰ নৌকাজীৱী মৎস্যচিকাৰীহঁতৰ কাৰণে নতুন স্বৰ্গও হয়, তেনেহ'লেও তালৈ কুবেৰকো কৌশলেৰে নিবলগীয়া হয় কিয়? হোছেন মিঞা তাৰ মতলব সহ শেষলৈকে পাঠকৰ ওচৰত দুৰ্বোধ্য হৈ থাকি যায়। হয়তো ইয়াৰ মাজত লুকাই আছে পৰৱৰ্তী সময়ত আনুষ্ঠানিকভাৱে মাৰ্ক্সবাদত দীক্ষিত মানিক বন্দ্যোপাধ্যায়ৰ কথা-সাহিত্যত প্ৰকাশ পোৱা বিৰুদ্ধ শক্তি সম্পৰ্কীয় ধ্যান-ধাৰণাৰ পূৰ্বাভাস। হোছেন মিঞা আৰু ময়নাদ্বীপ তাৰেই প্ৰতিফলন হোৱা অসম্ভৱ নহয়। মানিক বন্দ্যোপাধ্যায়ৰ সমাজবাদী মনৰ এক অস্ফুট স্বপ্নই সাকাৰ ৰূপ লাভ কৰিবলৈ ওলোৱাটোৱে সামগ্ৰিকভাৱে উপন্যাসখনৰ সাৰ্থকতাৰ মূল ভেঁটি বুলি নিশ্চয়কৈ মানি ল'ব পাৰি। *পদ্মানদীৰ মাঝি* উপন্যাসত বৰ্ণিত অজানা জীৱনৰ পৰিচয় আৰু জালোৱা-নাৱৰীয়াহঁতৰ সংগ্ৰামী জীৱনৰ বাস্তৱ কাহিনীয়ে বাংলা সাহিত্যৰ পাঠকক এখন নতুন জগতৰ সৈতে চিনাকি কৰি দিলে। নক'লেও চলে, *পদ্মানদীৰ মাঝি*-ৰ ৰচনা-চাতুৰ্যৰ বাবে এইজনা লেখক বাংলা সাহিত্যৰ ইতিহাসত চিৰ স্মৰণীয় হৈ ৰ'ব।* ●